SCRIPT/ASSAMESE NEWS BULLETIN/DIBRUGARH/6PM/23-09-2022

0000000

ৰাজ্য চৰকাৰৰ এক লাখ যুৱক যুৱতীক নিয়োগ প্ৰদানৰ প্ৰতিশ্ৰুতি পুৰণৰ অংশ হিচাপে আজি পুনৰ ১১ হাজাৰ ২৩৬গৰাকী যোগ্য প্ৰাৰ্থীক নিযুক্তি দিয়া হয়। খানাপাৰাৰ পশু চিকিৎসা মহাবিদ্যালয় খেলপথাৰত অনুষ্ঠিত নিযুক্তি সমাৰেশত মুখ্যমন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মাই আনুষ্ঠানিকভাৱে নিযুক্তি পত্ৰ সমূহ প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ গৃহ আৰু ৰাজনৈতিক বিভাগত ৫ হাজাৰ ৩৩৫ গৰাকী, উচ্চ আৰু কাৰিকৰী শিক্ষা বিভাগত ৯২৭, বিদ্যালয় শিক্ষা বিভাগত ৩ হাজাৰ ৮১১, উদ্যোগ আৰু ৰাজহুৱা প্ৰতিষ্ঠানত এগৰাকী, পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগত ২৭৭ জন, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগত ২৯৯, লোক নিৰ্মাণ বিভাগত ৩০৪, পৰ্যটন বিভাগত ৬ গৰাকী, জলসিঞ্চন বিভাগত ১৩৭, পৰিবহন বিভাগত ৩ গৰাকী, গৃহ আৰু নগৰ পৰিক্ৰমা বিভাগত এগৰাকী, পৰিৱেশ আৰু বন বিভাগত ৩৩গৰাকী, মহিলা আৰু শিশু উন্নয়ন বিভাগত ৪ গৰাকী, জলসম্পদত ৩ গৰাকী, জনস্বাস্থ্য কাৰিকৰী বিভাগত ৪গৰাকী, ক্ৰীড়া আৰু যুৱ কল্যাণ বিভাগত ১৩ গৰাকী আৰু পৰ্য্যটন বিভাগত ৬ গৰাকীকে ধৰি মুঠ ২৪ টা বিভাগৰ বাবে আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। আনহাতে, হস্ততাঁত আৰু বস্ত্ৰ শিল্প বিভাগত ৬ গৰাকী, ৰূপান্তৰ আৰু উন্নয়ন বিভাগত ১১ গৰাকী, সমবায় বিভাগত দুগৰাকী, দক্ষতা, নিয়োগ আৰু উদ্যমিতা বিভাগত ২৪ গৰাকী, তথ্য আৰু জনসংযোগ বিভাগত এগৰাকী, তথ্য আৰু প্ৰযুক্তি বিভাগত ৪ গৰাকী, পশুপালন আৰু পশু চিকিৎসা বিভাগত ২৭ গৰাকী আৰু মীন বিভাগত ৩ গৰাকী প্ৰাৰ্থীকো আজি নিযুক্তি পত্ৰ প্ৰদান কৰা হয়। নিযুক্তি পত্ৰ লাভ কৰা ৰাজ্যৰ ১১,২৩৬ গৰাকী যুৱক যুৱতীলৈ ভাৰতীয় জনতা পাৰ্টীৰ অসম প্ৰদেশৰ সভাপতি ভবেশ কলিতাই অভিনন্দন জ্ঞাপন কৰি আগন্তুক দিনত তেওঁলোকে এখন স্বচ্ছ আৰু নিকা সমাজ নিৰ্মাণত গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াব বুলি আশা প্ৰকাশ কৰিছে।

0000000

প্ৰধানমন্ত্ৰীৰ নিৰ্বাচিত ভাষণৰ এখন সংকলন আজি নতুন দিল্লীৰ আকাশবাণী ভৱনত মুকলি কৰা হয়। " সবকা সাথ, সবকা বিকাশ, সবকা বিশ্বাস - প্ৰাইম মিনিষ্টাৰ

নৰেন্দ্ৰ মোডী স্পীক্‌ছ " শীৰ্ষক গ্ৰন্থখনে প্ৰধানমন্ত্ৰী মোডীৰ এখন নতুন ভাৰতৰ পৰিকল্পনাক প্ৰতিফলতি কৰিব। গ্ৰন্থখনে জন অংশীদাৰিত্বৰ জৰিয়তে এখন নতুন ভাৰতৰ বাবে থকা মানুহৰ আশা-আকাংক্ষাসমূহ প্ৰতিফলিত কৰিছে। গ্ৰন্থখনত ২০১৯ চনৰ মে' মাহৰ পৰা ২০২০ চনৰ মে' মাহলৈকে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীৰ ৮৬টা বিশেষ ভাষণ সন্নিৱিষ্ট কৰা হৈছে। ভাষণসমুহ আত্মনিৰ্ভৰ ভাৰত-অৰ্থনীতি, জনসাধাৰণ-প্ৰথম প্ৰশাসন, কভিড-১৯ যুঁজ, প্ৰগতিশীল ভাৰত-বৈদেশিক পৰিক্ৰমা, জয় কিষাণ আদিকে ধৰি ১০টা বিষয়ত বিভক্ত কৰা হৈছে। হিন্দী আৰু ইংৰাজী ভাষাত মুকলি কৰা এই গ্ৰন্থখন দেশজুৰি থকা প্ৰকাশন বিভাগৰ বিপনীসমূহৰ লগতে ভাৰত কোষ মঞ্চ আৰু প্ৰকাশন বিভাগৰ ৱেবছাইটৰ জৰিয়তে অনলাইন যোগেও ক্ৰয় কৰিব পৰা যাব। গ্ৰন্থখন ই-বুক আকাৰে এমাজন আৰু গুগুল প্লে টো উপলব্ধ হ'ব।

0000000

মুখ্যমন্ত্ৰী ড. হিমন্ত বিশ্ব শৰ্মাই  বিত্ত বিভাগক আগন্তুক দুৰ্গা পূজা উপলক্ষে ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰীসকলৰ চলিত মাহৰ দৰমহা প্ৰদানৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ নিৰ্দেশ দিছে। উল্লেখযোগ্য যে দুৰ্গা পূজা উপলক্ষে অহা ২ অক্টোবৰৰ পৰা চৰকাৰী কাৰ্য্যালয় সমূহ বন্ধ থাকিব। ইয়াৰ পৰিপ্ৰেক্ষিতত পূজা উদযাপনৰ সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰী শ্ৰী শৰ্মাই ৰাজ্য চৰকাৰৰ বিষয়া কৰ্মচাৰীসকলৰ দৰমহা ২৯ ছেপ্তেম্বৰৰ পৰা মুকলি কৰাৰ প্ৰক্ৰিয়া আৰম্ভ কৰিবলৈ বিত্ত বিভাগক নিৰ্দেশ দিছে।

0000000

আয়ুষ্মান ভাৰত প্ৰধানমন্ত্ৰী জন আৰোগ্য যোজনাৰ চতুৰ্থ বৰ্ষপূৰ্তি উদযাপনৰ উদ্‌দেশে কেন্দ্ৰীয় স্বাস্থ্যমন্ত্ৰী ডা. মনসুখ মানদাব্যই অহা দেওবাৰে " আৰোগ্য মন্থন ২০২২ " মুকলি কৰিব। এই আঁচনিৰ অধীনত দৰিদ্ৰ পৰিয়ালৰ লোকসকলক বছৰি পাঁচ লাখ টকাৰ বিনামূলীয়া চিকিৎসা সেৱা প্ৰদান কৰাৰ লগতে ইয়াৰ যোগেদি দেশৰ দহ কোটিতকৈও অধিক দৰিদ্ৰ পৰিয়ালক এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা লক্ষ্য নিৰ্ধাৰণ কৰা হৈছে। উল্লেখযোগ্য যে ২০১৮ চনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে এই আঁচনিখন মুকলি কৰিছিল।

0000000

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোডীয়ে অহা দেওবাৰে দিনৰ ১১ বজাত

আকাশবাণীযোগে প্ৰচাৰ হবলগীয়া " মন কী বাত " অনুষ্ঠানৰ যোগেদি দেশ বিদেশৰ শ্ৰোতাৰ সৈতে মনৰ ভাৱ প্ৰকাশ কৰিব। অনুষ্ঠানটি আকাশবাণী আৰু দূৰদৰ্শনৰ আটাইবোৰ চেনেল তথা নেটৱৰ্কত শুনিবলৈ পোৱা যাব। ইয়াৰ উপৰিও AIR নিউজ ৱেবছাইট আৰু NEWS ON AIR মোবাইল এপটো এই অনুষ্ঠানটি উপলব্ধ হব। আকাশবাণীয়ে অনুষ্ঠানটিৰ হিন্দীত প্ৰচাৰৰ ঠিক পিছতেই ইয়াৰ আঞ্চলিক ভাষাৰ ৰূপান্তৰ প্ৰচাৰ কৰিব। এইয়া হ'ব মন কী বাত অনুষ্ঠানটিৰ ৯৩ সংখ্যক খণ্ড।

0000000

দেশজোৰা কভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্য্যসূচীৰ অন্তৰ্গত শেহতীয়াকৈ দেশত দুশ ১৭ কোটি ২৬ লক্ষাধিক পালি টীকা প্ৰদান কৰা হৈছে। যোৱা ২৪ ঘন্টাত ১৪ লাখ ৯১ হেজাৰতকৈও অধিক পালি টীকা প্ৰদান কৰা হয়। এই সময়ছোৱাত প্ৰায় ছহেজাৰ কভিড ৰোগীয়ে আৰোগ্য লাভ কৰিছে। বৰ্তমান আৰোগ্যৰ হাৰ ৯৮ দশমিক সাত এক শতাংশ।

0000000

ৰাষ্ট্ৰীয় সেৱা যোজনাৰ ডিব্ৰুগড় বিশ্ববিদ্যালয়ৰ স্নাতকোত্তৰ গোটৰ নতুন সদস্যসকলৰ বাবে যোৱা ২০ ছেপ্তেম্বৰৰ পৰা ২২ ছেপ্তেম্বৰলৈ এক অনুশীলন কৰ্মশালা অনুষ্ঠিত হয়। ড০ অমৰ উপাধ্যায়ৰ তত্বাৱধানত আয়োজিত এই কৰ্মশালাত প্ৰায় এশ ৫০ জন স্বেচ্ছাসেৱীয়ে অংশ গ্ৰহণ কৰে।

---------------সমাপ্ত---------------